1145 (PDEUB)

ASSAMESE (DSE)

(উপভাষা বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা)

[AS SI -05]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) মান্যভাষা কাক বোলে ? মান্যভাষা এটা পুনৰ উপভাষাৰ ৰূপ পাবলৈ কি কি ক্ৰিয়াই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিব পাৰে ? আলোচনা কৰক ।

(*b*) কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰক ।

(*c*) গোৱালপৰীয়া উপভাষা অসমৰ কোন অঞ্চলত প্ৰচলিত ? এই উপভাষাটোৰ ভৌগোলিক অৱস্থান দাঙি ধৰি ভাষাটোৰ ঐতিহাসিক পটভূমি বিচাৰ কৰক ।

(*d*) মান্যভাষাৰ সৈতে মধ্য অসমৰ উপভাষাৰ কি কি ক্ষেত্ৰত পাৰ্থক্য পৰিলক্ষিত হয়, আলোচনা কৰক ।

(*e*) দৰঙী উপভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক ।

(*f*) অসমৰ নৃগোষ্ঠীয় উপভাষাকেইটিৰ একোটিকৈ চমু পৰিচয় দাঙি ধৰক ।

(*g*) অসমীয়া জাতিগত উপভাষা বুলিলে কি বুজা যায় ? চিলেটিয়া উপভাষাৰ এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰক ।

(*h*) উত্তৰ পূৰ্বাঞ্চলৰ সামাজিক-সাংস্কৃতিক সমন্বয় সাধনত সংযোগী ভাষাৰ গুৰুত্ব ব্যাখ্যা কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে কেইটিমান যুক্তি আগবঢ়াওক ।

(*b*) ডাইগ্ল'ছিয়া বা দ্বিপাৰ্শ্বী পৰিস্থিতি সম্পৰ্কে বহলাই লিখক ।

(*c*) চমুটোকা লিখক ঃ

(*i*) পিজিন আৰু ক্ৰেওল

(*ii*) উপভাষা ভূগোল

(*d*) কামৰূপী উপভাষাৰ শব্দগত বৈচিত্ৰ্য সম্পৰ্কে উদাহৰণ দি এটি টোকা প্ৰস্তুত কৰক ।

(*e*) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ কেইটা আৰু কি কি ? ৰূপকেইটাৰ ভাষিক বৈশিষ্ট্যৰ এটি আলোচনা দাঙি ধৰক ।

(*f*) 'অসমীয়া ভাষাৰ সমকালীন ৰূপ' এটি আভাস দিয়ক ।